লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# জাৰ

বিজয় শংকৰ বৰ্মন

কুঁৱলিয়ে গুলুম মাৰি ধৰা
দূৰৰ ৰঙা টিলাটো
নৈৰ বুকুত হাউলি পৰা
এজোপা গছ

নাওঁবোৰ পুৰে চৰাখৰীয়াত
ৰাতিয়ে পুতি থয় সন্ধ্যাৰ হুমুনিয়াহ

হেমন্তৰ শেষ বতাহজাকে উৰুঙা কৰা
নিৰ্জন ঘৰত
অতদিনে ধূলিয়ে ৰাখিছিল ঢাকি
পুৰণি এখন ভায়’লিন

যোৱাৰাতি
বৰষুণজাক এৰাৰ পাছত দেখোঁ
শিতানৰ মজিয়াত শুই থকা এটা ছাঁ

মোৰেই নে